1.2 ভূমি সম্পদ (**Land Resources**) ঃ অসমৰ মুঠ মাটিকালি 2011 লোকপিয়লৰ মতে 78438 বৰ্গকিলোমিটাৰ। অন্যহাতেদি ভাৰতৰ মুঠ মাটিকালি 3287263 বৰ্গমিল মিটাৰ। অৰ্থাৎ ভাৰতবৰ্ষৰ মুঠ মাটি কালিৰ 2.4 শতাংশ অসমত আছে। অসমৰ মুঠ ভূমি ভাগত প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি। সেইয়া হ'ল— (ক) ব্ৰহ্মপুত্ৰ উপত্যকা আৰু (খ) বৰাক উপত্যকাসহ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা। ব্ৰহ্মপুত্ৰ এলেকাত নদীদ্বীপ

মাজুলী আৰু অসংখ্য সৰু-বৰ চৰ-চাপৰিও আছে। অসমৰ ভূমিক সাধাৰণতে দুটা ভাগত ভগাব পাৰি। সেইয়া হ'ল— 1) কৃষি ভূমি (Agricultural land) আৰু 2) অকৃষি ভূমি (Non-agricultural Land)। অসম চৰকাৰৰ পৰিসংখ্যা অনুসৰি অসমৰ কৃষিভূমিৰ মুঠ পৰিমাণ 39,40,649 হেক্টৰ, গ্ৰেজিং ভূমি 16,6,960 হেক্টৰ, অকৃষি ভূমি 10,51,381 হেক্টৰ আৰু বনভূমি 19,30,289 হেক্টৰ। অসমৰ অৰ্থনীতিলৈ অসমৰ ভূমিভাগে বহুতো অৱদান আগবঢ়াইছে। হ'লেও সৰ্বভাৰতীয় ভূমিৰ তুলনাত অসমৰ ভূমিৰ উৎপাদন ক্ষমতা তেনেই নিম্ন মানৰ। অসমৰ ওখ এলেকাসমূহ চাহ খেতিৰ বাবে উপযুক্ত। কিন্তু কম-বেছি পৰিমাণে 'দ' এলেকাবোৰত বানপানী, জলাহ আদিৰ বাবে প্ৰায়ে খেতি-বাতি নষ্ট হোৱা দেখা যায়। অন্যথা বিজ্ঞানসন্মত পদ্ধতিৰ যোগেদি উপযুক্ত কাৰ্য্যপন্থা গ্ৰহণ কৰি অসমত এক কৃষি বিপ্লৱ আনিব পৰা যায়।

**অসমৰ বনজ সম্পদ (Forest Resources of Assam) ঃ** অসমৰ প্ৰাকৃতিক সম্পদসমূহৰ ভিতৰত বনজ সম্পদৰ ক্ষেত্ৰত অসম এখন চহকী দেশ। সাধাৰণতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগতে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য এলেকাত চিৰ সেউজীয়া তথা ঘন বনাঞ্চলৰে আৱৰি আছে। অসমৰ মুঠ মাটি কালি হ'ল 78,438 বৰ্গ কিল'মিটাৰ। তাৰে 27,914 বৰ্গ কিল'মিটাৰ বনাঞ্চলে আৱৰি আছে। অৰ্থাৎ অসমৰ মুঠ ভূমিৰ 36.33 শতাংশ বনাঞ্চল আছে। বনাঞ্চলৰ পৰিমাণৰ ওপৰত লক্ষ্য ৰাখিলে সৰ্বভাৰতীয় পৰ্য্যায়ত অসমৰ স্থান অষ্টম। জাতীয় বন নীতি অনুসৰি ৰাজ্য বা ৰাষ্ট্ৰ এখনত শতকৰা 33.3 শতাংশ ফলদায়ক বনানিৰে আঁৱৰি থাকিব লাগে। কিন্তু অসমৰ ক্ষেত্ৰত লক্ষ্য কৰিলে দেখা যায় যে অসমত 2009–2010 চনৰ হিচাপ মতে অসমত মুঠ ভূমিৰ পৰিমাণ 78,438 বৰ্গ কিল'মিটাৰ। ইয়াৰে 27,692 বৰ্গ কিল'মিটাৰ এলেকাত বনানীকৰণ আছে। অৰ্থাৎ অসমৰ মুঠ বনানীকৰণৰ পৰিমাণ 35.31 শতাংশ। কিন্তু অসমত মুঠ ঘন অৰণ্য (Dense Forest) 1.461 বৰ্গ কিল'মিটাৰ মাথোন। অৰ্থাৎ অসমৰ ঘন অৰণ্যৰ পৰিমাণ মাথোন মুঠ বনানীৰ 5.28 শতাংশ আৰু অসমৰ মুঠ ভূমিৰ তুলনাত মাথোন 1.863 শতাংশ ভূমিহে ঘন বনাঞ্চল আছে। পুনৰ 11,558 বৰ্গ কিল'মিটাৰ এলেকাত মধ্যমীয়া বনাঞ্চল আছে। অৰ্থাৎ অসমৰ মুঠ বনাঞ্চলৰ 41.74 শতাংশ বনাঞ্চল মধ্যমীয়া বনাঞ্চল আৰু বাকী থকা 14,673 বৰ্গ কিল'মিটাৰ মুক্ত বনাঞ্চল। অৰ্থাৎ অসমত মুঠ বনাঞ্চলৰ

52.99 শতাংশ বনাঞ্চলেই মুক্ত বনাঞ্চল। দুখৰ বিষয় এখন দেশত মুঠ 33.3 শতাংশ ভূমিত ফলদায়ক বনাঞ্চল থাকিব লাগে যদিও অসমত মুঠ 1.863 শতাংশ ভূমিত ঘন বনাঞ্চল আৰু 14.74 শতাংশ ভূমিত মধ্যমীয়া বনাঞ্চল আছে। দুখৰ বিষয় অসমৰ বনাঞ্চলসমূহৰ অধিকাংশৰে তীব্ৰ বেদখল চলি আছে। গতিকে প্ৰকৃত বনাঞ্চলৰ পৰিসৰ দিনক-দিনে কমি আহিছে।

ৰাজ্যিক বন বিভাগৰ হিচাপ মতে 1992–93 চনত অসমত হাবি-বননিৰে আঁৱৰি থকা মুঠ অঞ্চলৰ পৰিমাণ আছিল 30,807 বৰ্গ কিল'মিটাৰ। ইয়াৰ 17,567 বৰ্গ কিল'মিটাৰ সংৰক্ষিত বনাঞ্চল, 3,920 বৰ্গ কিল'মিটাৰ আছিল প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল, শ্ৰেণী বিভাজন নকৰা মুঠ বনাঞ্চলৰ পৰিমাণ আছিল 5,831 বৰ্গ কিল'মিটাৰ আৰু জিলা পৰিষদৰ অধীনস্থ মুঠ বনাঞ্চল আছিল 3,589 বৰ্গ কিল'মিটাৰ।

ৰাজ্যিক বন বিভাগৰ 1998–99 চনৰ হিচাপ মতে অসমত মুঠ বনানিৰ পৰিমাণ আছিল 20.24 লাখ হেক্টৰ। ইয়াৰ মুঠ সংৰক্ষিত বনাঞ্চল হ'ল 17.42 লাখ হেক্টৰ, প্ৰস্তাৱিত বননিৰ পৰিমাণ হ'ল 2.81 লাখ হেক্টৰ। অৰ্থাৎ অসমৰ মাথোন 22.21 শতাংশ ভূমিহে সংৰক্ষিত বননি আছিল।

**তালিকা নং- ১**

**ৰাজ্যিক বন বিভাগৰ তথ্য** (Forest Profile of the State)

| বন আৰু হাবিৰে আগুৰা ঠাই | একক | 2005 | 2009 |
|---|---|---|---|
| মুঠ বননীৰ পৰিমাণ | বৰ্গ কিল'মিটাৰ | 27645 | 27692 |
| মুঠ গছ-গছনিৰে আগুৰা ঠাই | ,, | 1484 | 1590 |
| মুঠ বনাঞ্চল | ,, | 29129 | 29282 |
| ৰাজ্যৰ মুঠ বনাঞ্চলৰ পৰিমাণ | % | 37.13% | 37.33% |

1.3 **অসমৰ হাবি-বননিৰ পৰা পোৱা মুঠ উৎপন্ন দ্ৰব্যৰ পৰিমাণ (Total Out-Tern from Forest in Assam) ঃ** অসমৰ জলবায়ু গছ-গছনিৰ বাবে অতি উপযুক্ত। পুনৰ ইয়াৰ ভূমিৰ উৰ্বৰতা গুণটো গছ-গছনিৰ বাবে অপৰিহাৰ্য্য।

সেয়েহে অসমৰ মাটিত বিভিন্ন ধৰণৰ গছ-গছনি দেখিবলৈ পোৱা যায়। এতিয়ালৈকে অসমৰ বনাঞ্চলত 125 হেজাৰৰো অধিক গছ-গছনি আৱিস্কাৰ হৈছে। ইয়াৰ ভিতৰত সাধাৰণ বনজাত দ্ৰব্য যেনে- বাঁহ, বেত, ইকৰা, খেৰ, নল, খাগৰি বিৰিণা আদিয়েই প্ৰধান। অসমৰ হাবিত পোৱা মূল্যৱান গছ-গছনিসমূহ হৈছে শাল, গমাৰি, বনচোম, আমাৰি, শিশু, হোলোং, তিতাচপা, শলখ, শিমলু, শিলিখা, পূৰজা, বোৱাল, খকন, সোণাৰু, এজাৰ, চতিয়না ইত্যাদি। 1973–74 চনত অসমত মুঠ 447 হেজাৰ ঘনমিটাৰ ঘৰ সজা কামত ব্যৱহাৰ কৰিব পৰা কাঠ উৎপাদন কৰা হৈছিল। 1977–78 চনত এই পৰিমাণ 480 ঘনমিটাৰ হৈছিল। কিন্তু 1980–81 চনত এই পৰিমাণ 349.8 ঘন মিটাৰ, 1995–96 চনত 49.5 হেজাৰ ঘন মিটাৰলৈ হ্ৰাস পায়। 2008–2009 চনত অসমত 13731 ঘনমিটাৰ কাঠ উৎপাদন হৈছিল আৰু খৰি হিচাপে ব্যৱহাৰ কৰিব পৰা মুঠ কাঠ আছিল 8169 ঘন মিটাৰ। ইয়াৰ বিপৰীতে 2009–2010 বৰ্ষত কাঠৰ মুঠ উৎপাদন আছিল 9839 ঘন মিটাৰ কিন্তু খৰি হিচাপে ব্যৱহাৰ কৰা কাঠৰ মুঠ পৰিমাণ আছিল 16063 কিউবিক মিটাৰ।

অসমৰ বনজ সম্পদ হিচাপে অসমৰ নদীসমূহৰ পৰা প্ৰচুৰ পৰিমাণে শিল, বালি, বোকামাটি আদি পোৱা যায়। অসমৰ মূখ্য বন সংৰক্ষকৰ হিচাব মতে 2008–2009 চনত মুঠ 525.178 ঘন মিটাৰ বালি, 2182.197 ঘন মিটাৰ শিল আৰু 2682.504 ঘন মিটাৰ বোকা মাটি অসমৰ বন বিভাগে সংগ্ৰহ কৰিছিল। 2009–2010 চনত মুঠ সংগ্ৰহৰ পৰিমাণ আছিল 2905.333 ঘন মিটাৰ বালি, 34,269.919 ঘন মিটাৰ শিল আৰু 2243.569 ঘন মিটাৰ বোকা মাটি। 2010–2011 বৰ্ষত মুঠ সংগ্ৰহৰ পৰিমাণ 2470.587 ঘন মিটাৰ বালি, 1979.815 ঘন মিটাৰ শিল আৰু 1730.252 ঘন মিটাৰ বোকা মাটি। গতিকে দেখা গ'ল যে আমাৰ অসমত শিল, বালি বা বোকা মাটিৰ সংগ্ৰহ লাহে-লাহে কমি আহিছে।